**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-08-2024
**Time :** 1910 Hrs.

## *Assamese EVENING Bulletin*
## *HEADLINES*

১।	ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই আজি SSLVৰ সহায়ত EOS-জিৰ’এইট আৰু SRO নামৰ দুটা কৃত্ৰিম উপগ্ৰহৰ উৎক্ষেপন সফলতাৰে সম্পন্ন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে SSLVৰ সফল উৎক্ষেপনৰ বাবে ইছৰ’ৰ বিজ্ঞানীসকলক অভিনন্দন জনাইছে।

২।	৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ ঘোষণা কৰা হৈছে। এমুঠি পুঠি নামৰ ছবিখনে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ছবি তথা ৰজতকমল বঁটা লাভ কৰিছে।

৩।	জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হৈছে।

৪।	বাংলাদেশৰ অন্তৰ্বৰ্তী চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনিছে দেশখনত বাস কৰা হিন্দু আৰু সংখ্যালঘু সম্প্ৰদায়ৰ সকলো লোকৰ সুৰক্ষা আৰু নিৰাপত্তাৰ আশ্বাস প্ৰদান কৰিছে।

আৰু

৫।	আসন্ন পেৰিছ পেৰালিম্পিকত দেশৰ ৮৪ গৰাকী খেলুৱৈৰ সবাতোকৈ বৃহৎ দল এটাই অংশ ল’ব।

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোই আজি পুৱা ৯ বাজি ১৭ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা ক্ষুদ্ৰ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন যান SSLVৰ সহায়ত EOS-জিৰ’এইট আৰু SRO নামৰ দুটা কৃত্ৰিম উপগ্ৰহৰ উৎক্ষেপন সফলতাৰে সম্পন্ন কৰে। ক্ষুদ্ৰ উপগ্ৰহ উৎক্ষেপন যানখনৰ উন্নয়নমূলক তৃতীয় উৎক্ষেপনৰ জৰিয়তে উপগ্ৰহ দুটা মহাকাশলৈ প্ৰেৰণ কৰা হৈছে। এই সফল উৎক্ষেপনে ভাৰতৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু নেন’ উপগ্ৰহ প্ৰেৰণৰ সামৰ্থ প্ৰমাণ কৰিছে। দুয়োটা উপগ্ৰহ ৪৭৫ কিলোমিটাৰৰ কক্ষপথত স্থাপন কৰা হৈছে আৰু উপগ্ৰহ দুটাৰ সৌৰ পেনেলসমূহ মুকলি কৰা হৈছে। ইছৰ’ৰ বিভিন্ন ভূকেন্দ্ৰৰ জৰিয়তে উপগ্ৰহ দুটাৰ ওপৰত নজৰ ৰখা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে SSLVৰ সফল উৎক্ষেপনৰ বাবে ইছৰ’ৰ বিজ্ঞানীসকলক অভিনন্দন জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে আৰু এখন উৎক্ষেপন যান লাভ কৰাটো  দেশৰ বাবে আনন্দৰ কথা। তেওঁ কয় যে অতি কম খৰচী SSLV উৎক্ষেপন যানখনে মহাকাশ অভিযানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু ব্যক্তিগত উদ্যোগকো উৎসাহিত কৰিব।

০০০০০০০

ভাৰতে কাইলৈ তৃতীয় ভইচ অৱ গ্লোবেল ছাউথ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে - বহনক্ষম ভৱিষ্যতৰ বাবে সবল গ্লোবেল ছাউথ। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এই সন্মিলনে সংঘৰ্ষ, খাদ্য আৰু শক্তি সুৰক্ষা সংকট আৰু জলবায়ু পৰিবৰ্তনৰ লেখিয়া বিশ্বক প্ৰভাৱিত কৰি অহা জটিল প্ৰত্যাহ্বান সন্দৰ্ভত পূৰ্বৰ সন্মিলনত হোৱা আলাপ-আলোচনাৰ সম্প্ৰসাৰণৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। সন্মিলনত গ্লোবেল ছাউথ ৰাষ্ট্ৰসমূহে বিভিন্ন প্ৰত্যাহ্বান, অগ্ৰাধিকাৰ তথা তুলনামূলকভাৱে কম বিকশিত আৰু বিকাশশীল দেশৰ সমস্যা বিশেষকৈ উন্নয়ন ক্ষেত্ৰত সমাধানক লৈ আলোচনা অব্যাহত থাকিব। মন্ত্ৰালয়ে কৈছে যে পূৰ্বৰ সন্মিলনৰ দৰে তৃতীয় সন্মিলনো ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠিত হ’ব। সন্মিলনৰ উদ্বোধনী সত্ৰত ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানসকলে অংশগ্ৰহণ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সত্ৰৰ গুৰি ধৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস দৃষ্টিভংগীৰ সম্প্ৰসাৰিত ৰূপ হিচাপে এই অনন্য উদ্যম আৰম্ভ কৰা হৈছে আৰু ইয়াক ভাৰতৰ বসুধৈৱ কুটুম্বকম দৰ্শনৰ সৈতে সংযুক্ত কৰা হৈছে। গ্লোবেল ছাউথ হিচাপে পৰিচিত স্বল্পবিকশিত আৰু উন্নয়নশীল দেশৰ উমৈহতীয়া মঞ্চত সকলো বিষয়ৰ অগ্ৰাধিকাৰক লৈ এখন উমৈহতীয়া মঞ্চত আলাপ আলোচনা কৰাৰ উদ্দেশ্যে এই উদ্যমৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ ঘোষণা কৰা হৈছে। ‘কান্তাৰা’ চলচ্চিত্ৰত কৰা অভিনয়ৰ বাবে ঋষভ চেট্ৰীক শ্ৰেষ্ঠ অভিনেতাৰ বঁটা প্ৰদান কৰা হৈছে। তামিল কথাছবি ‘তিৰুচিত্ৰমবলম’ত কৰা অভিনয়ৰ বাবে নিত্যা মেনন আৰু গুজৰাটী চলচ্চিত্ৰ ‘কচ্চ এক্সপ্ৰেছ’ত কৰা অভিনয়ৰ বাবে মানসী পাড়েখলৈ  শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা আগবঢ়োৱা হৈছে। চলচ্চিত্ৰ জুৰিৰ অধ্যক্ষ ৰাহুল ৰাৱেইল, তথ্যচিত্ৰ

জুৰিৰ অধ্যক্ষ নীলা মাধৱ পাণ্ডা আৰু চিনেমা সম্পৰ্কীয় শ্ৰেষ্ঠ লিখনিৰ জুৰিৰ অধ্যক্ষ গংগাধৰ মুদালিয়াৰে এই বঁটাসমূহ ঘোষণা কৰে। মালায়ালম চলচ্চিত্ৰ 'অট্টম'ক শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰাৰ বিপৰীতে 'আয়না'ক শ্ৰেষ্ঠ তথ্যচিত্ৰ হিচাপে ঘোষণা কৰা হৈছে। সুৰয বড়জাত্যক 'উঁচাই' চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ পৰিচালকৰ বঁটাৰে সন্মানিত কৰা হৈছে। অৰিজিৎ সিঙক শ্ৰেষ্ঠ পাৰ্শ্ব গায়ক আৰু বোম্বে জয়শ্ৰীক শ্ৰেষ্ঠ পাৰ্শ্ব গায়িকাৰ বঁটা প্ৰদান কৰা হৈছে। ***এমুঠি পুঠি*** নামৰ ছবিখনে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ছবি তথা ৰজতকমল বঁটা লাভ কৰিছে। একেদৰে দৰে তিৱা ভাষাৰ চলচ্চিত্ৰ **ছিকাইশাল**লৈ তিৱা ভাষাৰ ৰজত কমল বঁটা আগবঢ়োৱা হৈছে। নৰপন ডেকা পৰিচালিত অসমীয়া চুটি ছবি **শূন্যতাই** শ্ৰেষ্ঠ চুটি ছবি তথা ৰজত কমল বঁটা লাভ কৰিছে। আনহাতে তথ্য চিত্ৰ শিতানত আইমী বৰুৱা পৰিচালিত বিৰুবালা, **Witch to Padmashri**, আৰু পাৰ্থসাৰথী মহন্ত পৰিচালিত আন এখন অসমীয়া তথ্য চিত্ৰ হাড়গিলা ঃ **The Greater adjutant stork** লৈ বিচাৰকৰ বিশেষ বঁটা আগবঢ়োৱা হৈছে। পন্নিয়িন ছেলৱন পাৰ্ট ৱান, কে জি এফ টু, ব্ৰহ্মাস্ত্ৰ, অপৰাজিতো, কাবেৰী অন্তৰ্ধান, দামন আৰু বাগী ডি ধিৰ দৰে কেইবাখনো চলচ্চিত্ৰই বঁটা লাভ কৰিছে।

০০০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীৰ এখন সংবাদ মেলত জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰে। সেই অনুসৰি জম্মু-কাশ্মীৰৰ বিধানসভাৰ নিৰ্বাচন ১৮ ছেপ্টেম্বৰত, ২৫ ছেপ্টেম্বৰ আৰু পহিলা অক্টোবৰত তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। আনহাতে, হাৰিয়ানাৰ বিধানসভা নিৰ্বাচন পহিলা অক্টোবৰত এটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ৪ অক্টোবৰত দুয়োখন ৰাজ্যৰে ভোট গণনা কৰা হ'ব। নিৰ্বাচনী সূচী ঘোষণা কৰাৰ লগে লগে নিৰ্বাচনী আচৰণ বিধিও প্ৰযোজ্য হৈছে। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত কয় যে আয়োগ সুচল আৰু সৰ্বাত্মক নিৰ্বাচনৰ প্ৰতি বদ্ধপৰিকৰ। তেওঁ কয় যে ৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ ৮৭ লাখৰো অধিক ভোটাৰে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। কেন্দ্ৰীয়শাসিত অঞ্চলটোত ভোটগ্ৰহণৰ বাবে ১১ হাজাৰ ৮০০ ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হ'ব। সংবাদমেলত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে আয়োগ যিকোনো প্ৰত্যাহ্বানৰ বাবে সাজু আছে আৰু জম্মু-কাশ্মীৰত মুক্ত, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা কৰা হ'ব।

আনহাতে হাৰিয়ানাত প্ৰায় দুই কোটি ভোটাৰে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ৰাজ্যখনত ২০ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০

বাংলাদেশৰ অন্তৰৰ্তী চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনিছে দেশখনত বাস কৰা হিন্দু আৰু সংখ্যালঘু সম্প্ৰদায়ৰ সকলো লোকৰ সুৰক্ষা আৰু নিৰাপত্তাৰ আশ্বাস প্ৰদান কৰিছে। উপদেষ্টাগৰাকীয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে টেলিফোনযোগে কথা পাতে আৰু বাংলাদেশৰ সাম্প্ৰতিক স্থিতিৰ বিষয়ে মত বিনিময় কৰে। আলোচনাকালত শ্ৰী মোদীয়ে গণতান্ত্ৰিক, সুস্থিৰ, শান্তিপূৰ্ণ আৰু প্ৰগতিশীল বাংলাদেশৰ প্ৰতি ভাৰতৰ সমৰ্থনৰ কথা দোহাৰে। তেওঁ বিভিন্ন উন্নয়নমূলক উদ্যমৰ জৰিয়তে বাংলাদেশৰ জনসাধাৰণক সহায় কৰাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে দেশখনত বাস কৰা হিন্দু আৰু অন্য সকলো সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে নিজ নিজ ৰাষ্ট্ৰৰ অগ্ৰাধিকাৰ অনুসৰি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক আগুৱাই নিয়াৰ বিভিন্ন উপায় সম্পৰ্কেও আলোচনা কৰে।

০০০০০০০

ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাত এগৰাকী কনিষ্ঠ চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত জৰুৰীকালীন সেৱাৰ বাহিৰে অন্য সেৱাসমূহ কাইলৈ পুৱা ৬ বজাৰপৰা ২৪ ঘণ্টাৰ বাবে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। সংস্থাটোৱে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই সময়ছোৱাত অত্যাৱশ্যকীয় সেৱাসমূহ অব্যাহত থাকিব আৰু কেজুৱেলিটী ৱাৰ্ডসমূহ খোলা ৰখা হ'ব। বিজ্ঞপ্তিখনত লগতে এইবুলি কোৱা হৈছে যে এই সময়ছোৱাত বৰ্হিঃবিভাগৰ সেৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। আই এম এৰ ৰাজ্যিক শাখাসমূহৰ সৈতে হোৱা আলোচনাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০

ৰাজহুৱা সম্প্ৰচাৰ সংস্থা প্ৰসাৰ ভাৰতী আৰু সংসদ টি ভিৰ মাজত আজি সংসদত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। সংসদ টি ভিৰ মুখ্য কাৰ্যবাহী বিষয়া ৰজিত পুনহানি আৰু প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদী তথা দুয়োটা সংস্থাৰ জ্যেষ্ঠ বিষয়াসকলৰ

উপস্থিতিত এই চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ জৰিয়তে উভয় পক্ষৰ মাজত সমল বিনিময়, কৰ্মচাৰী প্ৰশিক্ষণ আৰু পৰস্পৰৰ অনুষ্ঠান প্ৰচাৰকে ধৰি কেইবাটাও দিশত সন্মতি প্ৰদান কৰা হয়।

০০০০০০০

আকাশবাণীৰ প্ৰতি ঘণ্টাৰ বাতৰি বুলেটিনৰ অনুক্ৰমৰ সাল-সলনি কৰা হৈছে। ১৭-১৮ আগষ্টৰ নিশা ১২ বজাৰ পৰা এই পৰিৱৰ্তন প্ৰযোজ্য হ'ব। সেই অনুসৰি প্ৰথমে হিন্দী বুলেটিন প্ৰচাৰ কৰা হ'ব আৰু ইয়াৰ পাছতে ৫ মিনিটৰ ইংৰাজী বুলেটিন প্ৰচাৰ কৰা হ'ব।

০০০০০০০

আসন্ন পেৰিছ্ পেৰালিম্পিকত দেশৰ ৮৪ গৰাকী খেলুৱৈৰ সবাতোকৈ বৃহৎ দল এটাই অংশ ল'ব। পেৰালিম্পিক ২৮ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈ অনুষ্ঠিত হ'ব। প্ৰথমবাৰৰ বাবে ৪৭ গৰাকী ভাৰতীয় এথলিটে এই ক্ৰীড়া মহোৎসৱত ভাগ ল'ব। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই ভাৰতীয় দলৰ শুভেচ্ছা অনুষ্ঠানত অংশগ্ৰহণ কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোত টাৰ্গেট অলিম্পিক প'ডিয়াম আঁচনিৰ পৰা উপকৃত ৫০ গৰাকী খেলুৱৈ আছে। তেওঁ কয় যে চৰকাৰে এই আঁচনিৰ অধীনত খেলুৱৈসকলক অনুশীলন-প্ৰশিক্ষণৰ দৰে সকলো সুবিধা প্ৰদান কৰা হৈছে। ভালেসংখ্যক খেলুৱৈ খেল' ইণ্ডিয়া ক্ৰীড়া মহোৎসৱত আত্মপ্ৰকাশ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। যোৱাবাৰ টকিঅ' পেৰালিম্পিকত ভাৰতীয় খেলুৱৈসকলে সুন্দৰ প্ৰদৰ্শনেৰে ১৯ টা পদক অৰ্জন কৰিছিল। টকিঅ' পেৰালিম্পিকত মুঠ ৫৪ গৰাকী ভাৰতীয় খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল।

০০০০০০

২০২৫ বৰ্ষৰ পদ্ম সন্মানৰ বাবে মনোনয়ন প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰলৈ অব্যাহত থাকিব। ইচ্ছুক ব্যক্তিসকলে ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেল awards.gov.in-যোগে মনোনয়ন দাখিল কৰিব পাৰিব। পদ্ম সন্মানসমূহ দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। তিনিটা শাখাত এই সন্মান প্ৰদান কৰা হয়। অসাধাৰণ আৰু বিশিষ্ট সেৱাৰ বাবে পদ্ম বিভূষণ সন্মান প্ৰদান কৰা হয়। একেদৰে উচ্চক্ৰমৰ বিশিষ্ট সেৱাৰ বাবে পদ্মভূষণ আৰু যিকোনো ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে পদ্মশ্ৰী সন্মান প্ৰদান কৰা হয়। প্ৰতিবছৰে গণৰাজ্য দিৱসৰ প্ৰাক্ সন্ধিয়া এই বঁটাসমূহ ঘোষণা কৰা হয়।

০০০০০০০

**সমাপ্ত**